**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লোকসভাৰ পাঁচখন আসনৰ বাবে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত জনসমাবেশত অংশ ল'ব। মন্ত্ৰী শ্বাহৰ লগতে সমাবেশসমূহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। কাইলৈ তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

কাইলৈ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিং আৰু যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈয়েও বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত আয়োজিত বিজয় সংকল্প সমাবেশত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ চৰকাৰে কন্যাশিশুৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। ড° শৰ্মাই আজি শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। এই সভাত দলৰ নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত আলোচনা কৰা হয়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ১৪ খন আসনৰ ভিতৰত দুখন আসনতহে প্ৰতিদ্বন্দ্বিতা হ'ব বুলি মন্তব্য কৰে। ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নৱগঠিত মাকুম বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। ইপিনে, সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি মহানগৰীৰ বিভিন্ন অঞ্চলত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়। তেওঁ দুধনৈ, দৰংগিৰি, কাছাদল আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ ডেৰেকত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি যোৰহাট জিলাৰ টীয়ক চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়।

০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ত প্ৰথম দিক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। সমাৰোহত বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ পৰ্যায়ৰ ৫৪৫ গৰাকী শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ৰাজ্যপালগৰাকীৰ লগতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য সহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই সমাৰোহত অংশগ্ৰহণ কৰে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিনা ডিফু লোকসভা সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত ৫ টা সমষ্টিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৬৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। আজি ডিফু সমষ্টিত এ পি এইচ এল চিৰ সমৰ্থিত প্ৰাৰ্থী বিক্ৰম হান্‌ছ'ৰে মনোনয়ন প্ৰত্যাহাৰ কৰে। ডিফুত ৫ গৰাকী প্ৰাৰ্থী চূড়ান্ত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনৰ বাবে ৬৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছিল। এই পৰ্যায়ত বিজেপিৰ হৈ দৰং-ওদালগুৰিত সাংসদ দিলীপ শইকীয়া, কৰিমগঞ্জত কৃপানাথ মাল্লা, শিলচৰত পৰিমল শুক্লবৈদ্য, নগাঁৱত সুৰেশ বৰা আৰু ডিফুত অমৰ সিং টিছ'ৰে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে নগাঁৱত কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ, শিলচৰত দলটোৰ প্ৰাৰ্থী সূৰ্যকান্ত সৰকাৰ, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, কৰিমগঞ্জত হাফিজ ৰচিদ আহমেদ চৌধুৰী আৰু ডিফুত জয়ৰাম ইংলেঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত শিলচৰত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী, প্ৰাক্তন সাংসদ ৰাধেশ্যাম বিশ্বাস, ওদালগুৰিত বিপি এফৰ দুৰ্গাদাস বড়ো আৰু কৰিমগঞ্জত এ আই ইউ ডি এফৰ নেতা চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০০০

উত্তৰ আমেৰিকাত আজি পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ হ'ব। প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ পৰা আৰম্ভ হ'বলগীয়া এই বিৰল মহাজাগতিক পৰিঘটনা মেক্সিকো, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ বাসিন্দাই প্ৰত্যক্ষ কৰাৰ সুযোগ পাব। ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১২ মিনিটৰ পৰা আৰম্ভ হ'বলগীয়া এই পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ পুৱতি নিশা দুই বাজি ২২ মিনিটলৈকে থাকিব। মেক্সিকো, আমেৰিকা আৰু কানাডাৰ ১৮৫ কিলোমিটাৰ দূৰত্ব পৰ্যন্ত এলেকাৰ আৱাসীসকলে পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ প্ৰত্যক্ষ কৰাৰ সুযোগ পাব।

০০০০০০০

**সমাপ্ত**